# অসম আদিত্য

২ আহাৰ, ১৯৪৭ শক ■ সোমবাৰ, ৭ জুলাই, ২০২৫ ■ Asom Aditya, Dibrugarh, Monday, July 7, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ প


## কানৈ মহাবিদ্যালয়ৰ (স্বায়ত্তশাসিত) গ্ৰীষ্মকালীন শিবিৰৰ সামৰণি

**ষ্টাফ ৰিপৰ্টাৰ, ৬ জুলাই ঃ** ডিঃ হঃ সুঃ কানৈ মহাবিদ্যালয়ৰ (স্বায়ত্তশাসিত) অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ অধীনত পি এম শ্ৰী বকুল উচ্চ ইংৰাজী বিদ্যালয়ত পাঁচদিনীয়া গ্ৰীষ্মকালীন শিবিৰৰ আজি সফল সমাপ্তি ঘটে। কানৈ মহাবিদ্যালয়ৰ উদ্যোগত অনুষ্ঠিত হোৱা এই গ্ৰীষ্মকালীন শিবিৰত দশম শ্ৰেণীৰ অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। পূৰ্বে নিৰ্ধাৰিত বিষয়বস্তু অনুসৰি গণিত, ইংৰাজী আৰু বিজ্ঞানৰ বিশেষ শ্ৰেণীৰ পাঠদানৰ ব্যৱস্থা কৰি কানৈ মহাবিদ্যালয়ে এডপ্ট কৰা বিদ্যালয় হিচাপে বিভিন্ন সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰয়োজন সাপেক্ষে পাঠদানৰ ব্যৱস্থা কৰি আহিছে। এইক্ষেত্ৰত চলিত বৰ্ষত ১ জুলাইৰ পৰা ৫ জুলাইৰলৈকে পাঁচদিনীয়াকৈ এই বিশেষ গ্ৰীষ্মকালীন শিবিৰৰ আয়োজন কৰা হৈছে। আজি অনুষ্ঠিত হোৱা সামৰণী অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই মুখ্য অতিথি হিচাপে উপস্থিত থাকি অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু কানৈ মহাবিদ্যালয়ৰ পৰা পাঠদান কৰিবলৈ যোৱা প্ৰতিগৰাকী শিক্ষক-শিক্ষয়িত্ৰীক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে উক্ত বিদ্যালয়ৰ প্ৰধান শিক্ষক হিৰণ্য ৰাভাক উক্ত অনুষ্ঠানটো অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। অধ্যক্ষ ড০ শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি এক মননশীল বক্তৃতা প্ৰদান কৰি কয় যে আজিৰ যুগৰ লগত খাপ খাব পৰাকৈ প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে নিজকে প্ৰস্তুত কৰাৰ সময় আহি পৰিছে। ভাষণ প্ৰসংগত তেওঁ উল্লেখ কৰে যে অনাগত দিনসমূহত কানৈ মহাবিদ্যালয়ে বকুল উচ্চ ইংৰাজী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাংগীণ উৎকৰ্ষ সাধন কৰাৰ ক্ষেত্ৰত যৎপৰোনাস্তি প্ৰয়াস কৰিব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে। প্ৰধান শিক্ষক হিৰণ্য ৰাভাই তেওঁৰ আদৰণী ভাষণত কানৈ মহাবিদ্যালয়ে গ্ৰহণ কৰা এনে বিদ্যায়তনিক প্ৰচেষ্টাক যথেষ্ট শলাগ লয় আৰু অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ দীপংকজ গগৈ আৰু বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ উপ-সভাপতি তথা কানৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড০ বিৰাজ দত্তৰ এই প্ৰচেষ্টাক আদৰণি জনায়। অনাগত দিনসমূহত এনে শৈক্ষিক সমন্বয়ৰ জৰিয়তে বকুল উচ্চ ইংৰাজী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল আৰু অধিক উপকৃত হ'ব পাৰিব বুলি মত প্ৰকাশ কৰে। উক্ত অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰক ড০ মৃদুল শৰ্মা, মেম্বাৰ চেক্ৰেটৰী ড০ জ্যোতিপ্ৰসাদ ফুকন, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ দীপাংকজ গগৈ, ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপক ড০ অপূৰ্ব দত্ত উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলৰ লগত মত-বিনিময় কৰে। এই কৰ্মশালাত কানৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ তথা গণিত বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড০ প্ৰিয় দেৱ গোস্বামী, গণিত বিভাগৰ বৰ্তমানৰ মুৰব্বী অধ্যাপক ড০ দেৱাঞ্জন হাজৰিকা, গণিত বিভাগৰ অধ্যাপক অনুভৱ চলিহা, ইংৰাজী বিভাগৰ জ্যেষ্ঠ অধ্যাপিকা অদিতি কোঁৱৰ গগৈ, ৰসায়ন বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড০ দেৱপ্ৰসাদ ফুকন, ৰসায়ন বিজ্ঞান বিভাগৰ ড০ উত্তম মহন আৰু প্ৰাণীবিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক টিকেন্দ্ৰজিৎ গগৈয়ে ছাত্ৰ-ছাত্ৰীসকলক গণিত, ইংৰাজী আৰু বিজ্ঞানৰ পাঠদানত প্ৰত্যক্ষভাৱে সহযোগিতা আগবঢ়ায়। সভাৰ শেষত ড০ বিৰাজ দত্তই শলাগ জ্ঞাপন কৰে।